| Source | Target |
|---|---|
| **FAQs on Unclaimed Mutual Funds** | **দাবী নকৰা মিউচুৱেল ফাণ্ডসমূহৰ ওপৰত সঘনাই সোধা প্ৰশ্নসমূহ** |
| **Q1. What is an Unclaimed amount?** | **Q1.** দাবী নকৰা ধনৰাশি কি? |
| Mutual Funds make payments to the investors on account of Redemptions, Maturity proceeds or Dividend. These payments are issued to the investors either electronically to the registered bank account or through physical cheque despatched to the registered address of the investor as per available records. | মিউচুৱেল ফাণ্ডে বিনিয়োগকাৰীক ৰিডেম্পচন কৰা একাউন্টৰ ওপৰত, ম্যাদপূৰ্তিৰ আয় বা লভ্যাংশৰ হিচাপত পৰিশোধ কৰে। বিনিয়োগকাৰীক এই পৰিশোধসমূহ পঞ্জীভুক্ত বেংক একাউন্টত ইলেক্ট্ৰনিক পদ্ধতিৰে অথবা উপলব্ধ ৰেকৰ্ড অনুসৰি বিনিয়োগকাৰীৰ পঞ্জীভুক্ত ঠিকনাত প্ৰেৰণ কৰা ভৌতিক চেকযোগে প্ৰদান কৰা হয়। |
| Whenever the payments issued by Mutual Funds are not credited to the bank account or realized by the investor due to reasons such as change in bank account, bank account closure, incomplete bank account in records, cheque not received or encashed by the investor, address not updated in the records etc, such amounts are treated as unclaimed amounts. | যেতিয়াই বেংক একাউন্টৰ পৰিৱৰ্তন, বেংক একাউন্ট বন্ধ কৰা, ৰেকৰ্ডত থকা বেংক একাউন্টৰ অস্পষ্টতা, বিনিয়োগকাৰীয়ে লাভ নকৰা বা নগদীকৰণ নকৰা চেক, ৰেকৰ্ডত ঠিকনা আপডেট নকৰা আদি কাৰণত মিউচুৱেল ফাণ্ডৰ দ্বাৰা প্ৰদান কৰা ধন বেংক একাউন্টত জমা নহয় বা বিনিয়োগকাৰীয়ে লাভ নকৰে, সেই ধনৰাশি দাবী নকৰা ধনৰাশি হিচাপে গণ্য কৰা হয়। |
| If the investors are not KYC compliant, the payments cannot be made to them. Hence, such payments are directly credited to unclaimed scheme on the date of payment. | যদি বিনিয়োগকাৰীসকলে কেৱাইচি (KYC) অনুপালন নকৰে, তেন্তে তেওঁলোকক ধন পৰিশোধ কৰিব নোৱাৰি। সেয়েহে, এই ধৰণৰ পৰিশোধবোৰ পৰিশোধৰ তাৰিখত প্ৰত্যক্ষভাৱে দাবী নকৰা আঁচনিত জমা কৰা হয়। |
| | |
| **Q2. How will investors come to know if they have any unclaimed amounts lying with Mutual Funds?** | **Q2. বিনিয়োগকাৰীসকলে তেওঁলোকৰ কোনো ধন মিউচুৱেল ফাণ্ডত জমা আছে নে নাই কেনেকৈ জানিব পাৰিব?** |
| The information of unclaimed amount is made available to the investor on the websites of Asset Management Company (AMC) and Registrar & transfer Agent (RTA). | সম্পদ ব্যৱস্থাপনা কোম্পানী (AMC) আৰু ৰেজিষ্ট্ৰাৰ এণ্ড ট্ৰেন্সফাৰ এজেন্ট (RTA)ৰ ৱেবছাইটত বিনিয়োগকাৰীৰ বাবে দাবী নকৰা ধনৰাশিৰ তথ্য উপলব্ধ কৰা হয়। |
| Investors can also logon to MF Central at www.mfcentral.com The investor has to log-in with user ID, password or OTP and provide required details for viewing the unclaimed amount. | বিনিয়োগকাৰীসকলে www.mfcentral.com ত এমএফ চেন্ট্ৰেলত লগ ইন কৰিব পাৰে। বিনিয়োগকাৰীয়ে ইউজাৰ আইডি, পাছৱৰ্ড বা অ'টিপিৰ সৈতে লগ ইন কৰিব লাগিব আৰু দাবী নকৰা ধনৰাশি চাবলৈ প্ৰয়োজনীয় বিৱৰণ প্ৰদান কৰিব লাগিব। |
| Information on unpaid / unclaimed amount is also included as part of Consolidated Account Statements (CAS) sent to investors. | বিনিয়োগকাৰীক প্ৰেৰণ কৰা একত্ৰিত একাউন্ট ষ্টেটমেন্ট (CAS)ৰ অংশ হিচাপে অপৰিশোধিত/দাবী নকৰা ধনৰাশিৰ তথ্যও অন্তৰ্ভুক্ত কৰা হয়। |

| | |
|---|---|
| Mutual Funds also send periodic reminders / communications to investors informing them about unclaimed amount. | মিউচুৱেল ফাণ্ডসমূহে বিনিয়োগকাৰীক সময়ে সময়ে স্মাৰক পত্ৰ/যোগাযোগ প্ৰেৰণ কৰি দাবী নকৰা ধনৰাশিৰ বিষয়ে অৱগত কৰে। |
| | |
| **Q3. What is Mutual Fund Investment Tracing and Retrieval Assistant (MITRA) and how it can help in identifying unclaimed amounts?** | **মিউচুৱেল ফাণ্ড ইনভেষ্টমেন্ট ট্ৰেকিং এণ্ড ৰিট্ৰিভেল এছিষ্টেন্ট (MITRA) কি আৰু ই কেনেকৈ দাবী নকৰা ধনৰাশি চিনাক্ত কৰাত সহায় কৰিব পাৰে?** |
| MITRA is a Service Platform for investors to trace inactive as well as unclaimed mutual fund investments. An inactive folio is where no investor initiated transaction (financial or non-financial) has taken place in last 10 years but unit balance is available in the folio. | MITRA হ’ল বিনিয়োগকাৰীৰ বাবে এক সেৱা প্লেটফৰ্ম য’ত নিষ্ক্ৰিয় আৰু দাবী নকৰা মিউচুৱেল ফাণ্ড বিনিয়োগৰ সন্ধান পোৱা যায়। এটা নিষ্ক্ৰিয় ফলিঅ’ হৈছে সেইধৰণৰ ফ’লিঅ’ য’ত কোনো বিনিয়োগকাৰীয়ে আৰম্ভ কৰা লেনদেন (আৰ্থিক বা অনা-আৰ্থিক) যোৱা 10 বছৰত হোৱা নাই কিন্তু ফলিঅ'ত ইউনিট বেলেন্স উপলব্ধ। |
| MITRA can be accessed by visiting MF Central website www.mfcentral.com and clicking on the link of “MITRA” available on the home page. Here, the investors can search for their unclaimed or inactive investment by providing input of various search parameters. If the search inputs matches with the inactive and unclaimed records, investors will be shown the name of Mutual Fund in which they have such investments. Thereafter, the investors can contact the respective Mutual Fund or the RTA in order to claim the unclaimed amounts. The claim process and FAQs are also available on MITRA. | এমএফ চেন্ট্ৰেল ৱেবছাইট www.mfcentral.com লৈ গৈ আৰু হোম পেজত উপলব্ধ “MITRA” লিংকত ক্লিক কৰি MITRA লাভ কৰিব পাৰি। ইয়াত, বিনিয়োগকাৰীসকলে বিভিন্ন অনুসন্ধান পৰিমাপৰ ইনপুট প্ৰদান কৰি তেওঁলোকৰ দাবী নকৰা বা নিষ্ক্ৰিয় বিনিয়োগৰ সন্ধান কৰিব পাৰে। যদি অনুসন্ধান ইনপুটসমূহ নিষ্ক্ৰিয় আৰু দাবী নকৰা ৰেকৰ্ডসমূহৰ সৈতে মিলি যায়, বিনিয়োগকাৰীসকলক মিউচুৱেল ফাণ্ডৰ নাম দেখুওৱা হ'ব য'ত তেওঁলোকৰ এনে বিনিয়োগ আছে। ইয়াৰ পিছত, বিনিয়োগকাৰীসকলে সংশ্লিষ্ট মিউচুৱেল ফাণ্ড বা RTAৰ সৈতে যোগাযোগ কৰি দাবী নকৰা ধনৰাশি দাবী কৰিব পাৰে। দাবী প্ৰক্ৰিয়া আৰু সঘনাই সোধা প্ৰশ্নসমূহো MITRA ত উপলব্ধ। |
| **Q4. What is the process of claiming unclaimed amount by the investor?** | **বিনিয়োগকাৰীয়ে দাবী নকৰা ধনৰাশি দাবী কৰাৰ প্ৰক্ৰিয়া কি?** |
| The investor can download the form available on AMC’s website and submit the duly signed form to the AMC/RTA’s office. After verification of records and matching of signature, the unclaimed amount is paid from the Unclaimed Dividend and Redemption Scheme (UDRS) along with the applicable appreciation. | বিনিয়োগকাৰীয়ে AMCৰ ৱেবচাইটত উপলব্ধ প্ৰপত্ৰখন ডাউনলোড কৰিব পাৰে আৰু AMC/RTAৰ কাৰ্যালয়ত সঠিকভাৱে স্বাক্ষৰিত প্ৰপত্ৰখন জমা দিব পাৰে। ৰেকৰ্ডসমূহ পৰীক্ষা কৰা আৰু স্বাক্ষৰ মিলোৱাৰ পিছত, দাবী নকৰা ধনৰাশি দাবী নকৰা লভ্যাংশ আৰু নিষ্পত্তি আঁচনি (UDRS) ৰ পৰা প্ৰযোজ্য মূল্যবৃদ্ধিৰ সৈতে পৰিশোধ কৰা হয়। |
| Investor can reach out to RTA (of relevant AMC where investor has unclaimed amount) for queries in the claim process. Contact details of both RTAs are available on their website under “Contact Us” section. | বিনিয়োগকাৰীয়ে দাবী প্ৰক্ৰিয়াত প্ৰশ্নৰ বাবে RTA (প্ৰাসঙ্গিক AMCৰ য'ত বিনিয়োগকাৰীৰ দাবী নকৰা ধন আছে) লৈ যোগাযোগ কৰিব পাৰে। RTA দুটাৰ যোগাযোগৰ বিৱৰণ তেওঁলোকৰ ৱেবছাইটৰ "আমাৰ সৈতে যোগাযোগ কৰক" শাখাত উপলব্ধ। |

| | |
|---|---|
| KFIN: https://www.kfintech.com/contact-us/ | KFIN: https://www.kfintech.com/contact-us/ |
| CAMS https://www.camsonline.com/contactus | CAMS https://www.camsonline.com/contactus |
| **Q5. In case of non-receipt of unclaimed amount, where can the investor lodge the complain?** | **দাবী নকৰা ধনৰাশি লাভ নকৰিলে বিনিয়োগকাৰীয়ে ক'ত অভিযোগ দাখিল কৰিব পাৰে?** |
| The investor can contact the respective AMC/RTA's office or the AMC's contact centre and lodge the complaint, in case the payment/rejection communication is not received within 7 working days. The details of contact centre and email ID of AMC where the complaint can be lodged is available on AMC's website under "Contact us". In case the complaint is not solved by the AMC/RTA within the stipulated time or to the satisfaction of the investor, the same can be escalated to SEBI's SCORES portal. | যদি 7 টা কৰ্মদিনৰ ভিতৰত ধন পৰিশোধ/অগ্ৰাহ্য কৰাৰ বাৰ্তা নাপায়, বিনিয়োগকাৰীয়ে সংশ্লিষ্ট AMC/RTAৰ কাৰ্যালয় বা AMCৰ যোগাযোগ কেন্দ্ৰৰ সৈতে যোগাযোগ কৰি অভিযোগ দাখিল কৰিব পাৰে। অভিযোগ দাখিল কৰিব পৰা AMCৰ যোগাযোগ কেন্দ্ৰ আৰু ই-মেইল আইডিৰ বিৱৰণ AMCৰ ৱেবছাইটত 'আমাৰ সৈতে যোগাযোগ কৰক'ত উপলব্ধ। যদি AMC/RTA-এ নিৰ্ধাৰিত সময়ৰ ভিতৰত বা বিনিয়োগকাৰীৰ সন্তুষ্টিৰ বাবে অভিযোগৰ সমাধান নকৰে, তেন্তে SEBIৰ SCORES প'ৰ্টেলত অভিযোগ দাখিল কৰিব পাৰিব। |
| **Q6. Where do Mutual Funds invest the unclaimed amounts till it is claimed by the investor?** | **বিনিয়োগকাৰীয়ে দাবী নকৰা পৰ্য্যন্ত মিউচুৱেল ফাণ্ডে অনাদায়ী ধন ক'ত বিনিয়োগ কৰে?** |
| Mutual Funds are permitted to invest the unclaimed amounts in call money market, money market instruments or in a separate plan of Overnight scheme/ Liquid scheme/ Money Market Mutual Funds which generally carry much reduced capital risk and also provide returns. The separate plan specifically floated by Mutual Funds for deployment of unclaimed amounts is known as Unclaimed Dividend/ Redemption Scheme (UDRS). | মিউচুৱেল ফাণ্ডসমূহক ক'ল মানি মাৰ্কেট, মানি মাৰ্কেট ইনষ্ট্ৰুমেন্ট বা অ'ভাৰ নাইট স্কিম/লিকুইড স্কিম/ মানি মাৰ্কেট মিউচুৱেল ফাণ্ডৰ পৃথক পৰিকল্পনাত অনাদায় ধনৰাশি বিনিয়োগ কৰাৰ অনুমতি দিয়া হয়, যিবোৰে সাধাৰণতে বহু কম মূলধন বিপদ বহন কৰে আৰু লগতে লাভ প্ৰদান কৰে। দাবী নকৰা ধনৰাশিৰ বাবে মিউচুৱেল ফাণ্ডে বিশেষভাৱে উত্থাপন কৰা পৃথক আঁচনিখনক আনক্লেইমড ডিভিডেণ্ড/ ৰিডেম্পচন স্কিম (UDRS) নামেৰে জনা যায়। |
| **Q7. How is the appreciation in unclaimed amounts passed on to the investors?** | **দাবী নকৰা ধনৰাশিৰ মূল্যবৃদ্ধি বিনিয়োগকাৰীক কেনেদৰে প্ৰদান কৰা হয়?** |
| As the investments are in Liquid / Overnight schemes appreciation is in the form of daily NAV declared by the AMC. While such appreciations are passed on to investors for a period of 3 years from the date of unit creation, beyond 3 years, these appreciations are passed on to investor education fund. | যিহেতু বিনিয়োগসমূহ লিকুইড/অ'ভাৰ নাইট আঁচনিৰ অন্তৰ্গত সেয়েহে AMCৰ দ্বাৰা ঘোষিত দৈনিক NAVৰ ৰূপত মূল্যবৃদ্ধি হয়। এই ধৰণৰ ফাণ্ড বিনিয়োগকাৰীসকলৰ বাবে ইউনিট সৃষ্টিৰ তাৰিখৰ পৰা 3 বছৰৰ বাবে প্ৰদান কৰা হয়, কিন্তু 3 বছৰৰ পাছত এই পুঁজি বিনিয়োগকাৰী শিক্ষা পুঁজিলৈ প্ৰদান কৰা হয়। |
| **Q8. How often is the allotment done in UDRS?** | **Q8. ইউডিআৰএছত কিমান সঘনাই আৱন্টন কৰা হয়?** |
| Allotment is done on a weekly or fortnightly basis depending on bank's providing information on unpaid instruments. | বেংকে অপৰিশধিত সঁজুলিৰ তথ্য প্ৰদান কৰাৰ ওপৰত নিৰ্ভৰ কৰি এই আৱন্টন সাপ্তাহিক বা পষেকীয়া ভিত্তিত কৰা হয়। |

| | |
|---|---|
| | |
| **Q9. How can the investors avoid their dues becoming unclaimed?** | **বিনিয়োগকাৰীসকলে কেনেকৈ নিজৰ ধনৰাশিৰ দাবী নকৰাকৈ থাকিব পাৰে?** |
| The investors should keep their records such as PAN/ KYC, address, bank account details etc. updated with the RTA/AMC in which they have investment, all the time. Whenever they apply for redemption of units, Investors should check their bank account for credit of amount. In case the amount is not received within 3 working days in case of electronic credit (where complete bank account details including CBS A/c number and IFS code) and through cheque within 5-7 working days, investors should contact the nearest office of RTA/AMC or their distributor. | বিনিয়োগকাৰীসকলে তেওঁলোকৰ PAN/ KYC, ঠিকনা, বেংক একাউন্টৰ বিৱৰণ আদিৰ দৰে ৰেকৰ্ডসমূহ তেওঁলোকে বিনিয়োগ কৰা RTA/AMCৰ সৈতে সকলো সময়তে আপডেট কৰি ৰাখিব লাগে। যেতিয়াই বিনিয়োগকাৰীয়ে ইউনিট ৰিডেম্পচনৰ বাবে আবেদন কৰে, তেওঁলোকে তেওঁলোকৰ বেংক একাউন্টত ধনৰাশিটো জমা হৈছেনে নাই পৰীক্ষা কৰিব লাগে। যদি ইলেক্ট্ৰনিক ক্ৰেডিটৰ ক্ষেত্ৰত (য'ত সম্পূৰ্ণ বেংক একাউন্টৰ বিৱৰণ, য'ত CBS একাউন্ট নম্বৰ আৰু IFS ক'ড অন্তৰ্ভুক্ত থাকে) 3 কৰ্মদিনৰ ভিতৰত আৰু চেকৰ জৰিয়তে 5-7 কৰ্মদিনৰ ভিতৰত ধনৰাশি লাভ কৰা নহয়, বিনিয়োগকাৰীসকলে নিকটতম RTA/AMC ৰ কাৰ্যালয় বা তেওঁলোকৰ বিতৰকৰ সৈতে যোগাযোগ কৰিব লাগিব। |
| | |
| **Standard Operating Procedure (SOP) for claim process** | **দাবী প্ৰক্ৰিয়াৰ বাবে মানক পৰিচালন পদ্ধতি (SOP)** |
| | |
| 1. In order to claim the unclaimed amount, the investor can contact respective Asset Management Company (AMC) or Registrar and Transfer Agent (RTA) office or visit their website and download the form. The form can be submitted to the respective RTA's/AMC's office. The RTA will verify the signature and other details and will process the application if everything is in order. In case of deficiency in the form/signature mismatch, RTA will issue communication to the investor informing the reason for rejection and the action to be taken by the investor. | 1. দাবী নকৰা ধনৰাশি দাবী কৰিবলৈ বিনিয়োগকাৰীয়ে সংশ্লিষ্ট সম্পদ ব্যৱস্থাপনা কোম্পানী (AMC) বা পঞ্জীয়ক আৰু হস্তান্তৰ এজেন্ট (RTA) কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিব পাৰে বা তেওঁলোকৰ ৱেবছাইটলৈ গৈ প্ৰ-পত্ৰখন ডাউনলোড কৰিব পাৰে। প্ৰপত্ৰখন সংশ্লিষ্ট RTA/AMCৰ কাৰ্যালয়ত দাখিল কৰিব পাৰিব। RTA-য়ে স্বাক্ষৰ আৰু অন্যান্য বিৱৰণসমূহ পৰীক্ষা কৰিব আৰু সকলো সঠিক হ'লে আবেদনৰ প্ৰক্ৰিয়া কৰিব। প্ৰপত্ৰখনত বিসংগতি/স্বাক্ষৰ নিমিলাৰ স্থিতিত, RTAয়ে বিনিয়োগকাৰীক প্ৰত্যাখ্যানৰ কাৰণ আৰু বিনিয়োগকাৰীয়ে গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ বিষয়ে অৱগত কৰি এক জাননী জাৰি কৰিব। |
| | |

| | |
|---|---|
| 2. The payment from unclaimed scheme is treated similar to redemption hence the applicable Net Asset Value (NAV) is applied based on the date and time of receipt of form. The pay-outs are also made within 2-5 days. | 2. দাবী নকৰা আঁচনিৰ পৰা লাভ কৰা ধনৰাশিক ৰিডেম্পচনৰ দৰেই গণ্য কৰা হয়, সেয়েহে প্ৰপত্ৰ প্ৰাপ্তিৰ তাৰিখ আৰু সময়ৰ ওপৰত ভিত্তি কৰি প্ৰযোজ্য নেট এছেট ভেল্যু (NAV) প্ৰয়োগ কৰা হয়। 2-5 দিনৰ ভিতৰত টকা আদায় দিয়া হয়। |
| | |
| 3. **Redemption payments – Methodology of valuation** | 3. ৰিডেম্পচন পৰিশোধ –মূল্য নিৰ্ধাৰণৰ পদ্ধতি |
| a. **Scenario A** – For the payments released within 3 years: Redemption processed from Unclaimed Dividend and Redemption Scheme (UDRS) as per applicable NAV of the Unclaimed scheme, including the appreciation received by the scheme. | a. দৃশ্যপট A: 3 বছৰৰ ভিতৰত মুকলি কৰা পৰিশোধৰ বাবে: আঁচনিয়ে লাভ কৰা মূল্যবৃদ্ধিকে ধৰি আঁচনিখনৰ প্ৰযোজ্য NAV অনুসৰি অনাদায়ী লভ্যাংশ আৰু নিষ্পত্তি আঁচনি (UDRS) ৰ পৰা প্ৰক্ৰিয়াকৃত  ৰিডেম্পচন। |
| b. **Scenario B** – For the payments released after 3 years: Appreciations are passed on to investor education fund and redemption is processed basis value as at the end of 3 years from date of unit creation in unclaimed scheme. | b. দৃশ্যপট B: 3 বছৰৰ পিছত মুকলি কৰি দিয়া পৰিশোধৰ বাবেঃ মূল্যবৃদ্ধিবোৰ বিনিয়োগকাৰী শিক্ষা পুঁজিলৈ প্ৰেৰণ কৰা হয় আৰু দাবী নকৰা আঁচনিত ইউনিট সৃষ্টিৰ তাৰিখৰ পৰা 3 বছৰৰ শেষত মূল্যৰ আধাৰত ৰিডেম্পচন প্ৰক্ৰিয়াগত কৰা হয়। |
| c. **Scenario C –** Subsequent transaction or update on the folio: Subject to receipt of any additional information that could help clear unclaimed amount, redemption is auto-processed from unclaimed schemes and proceeds are passed on to investor. | c. দৃশ্যপট C: পৰৱৰ্তী লেনদেন বা ফলিঅ'ত আপডেট: দাবী নকৰা ধন পৰিশোধ কৰাত সহায় কৰিব পৰা যিকোনো অতিৰিক্ত তথ্য প্ৰাপ্তিৰ সাপেক্ষে, দাবী নকৰা আঁচনিৰ পৰা পৰিশোধ স্বয়ংক্ৰিয়ভাৱে প্ৰক্ৰিয়া কৰা হয় আৰু ৰাজহ বিনিয়োগকাৰীক প্ৰদান কৰা হয়। |